# অসমৰ নদী অৱবাহিকা সু-সংহতকৰণ ব্যৱস্থাপনা কাৰ্যক্ৰম

## অংশীদাৰ নিয়োগ যোজনা(SEP)

### সাৰাংশ

অসমৰ নদী অৱবাহিকা সু-সংহতকৰণ ব্যৱস্থাপনা কাৰ্যক্ৰমে(AIRBMP)সংশ্লিষ্ট প্ৰতিষ্ঠানসমূহৰ সুদৃঢ়কৰণ, গুৰুত্বপূৰ্ণ জ্ঞানৰ ব্যৱধান পূৰণ কৰা আৰু বানপানী আৰু গৰা-খহনীয়াই বৰ্তমান সৃষ্টি কৰা প্ৰত্যাহবানসমূহ মোকাবিলা কৰিবলৈ সংগঠিত ৰূপত সমাধান কাৰ্যকৰী কৰাৰ লগতে জলবায়ুৰ স্থিতিস্থাপকতা বৃদ্ধি আৰু জীৱিকাৰ মানদণ্ড উন্নীত কৰাৰ সুযোগসমূহ গ্ৰহণ কৰাত গুৰুত্ব আৰোপ কৰে। এই কাৰ্য্যক্ৰম ভাৰত চৰকাৰে উত্তৰ পূৰ্বাঞ্চলত জল সম্পদৰ সৰ্বোত্তম সমুচিত ব্যৱহাৰ আৰু জল সম্বন্ধীয় বিপদৰ আশংকাসমূহ নিৰ্মূল কৰি অঞ্চলটোৰ অৰ্থনৈতিক বিকাশৰ কাৰণে লোৱা উদ্যমৰ সৈতে সংৰেখিত। অসমৰ নদী অৱবাহিকা সু-সংহতকৰণ ব্যৱস্থাপনা কাৰ্যক্ৰম(AIRBMP) "বহুস্তৰীয় পৰিকল্পনা পন্থা ( MPA)ৰ ত্ৰি-স্তৰীয় ৰূপত পৰিকল্পনা কৰা হৈছে। প্ৰকল্পৰ প্ৰথম স্তৰত "অসমৰ জল সম্পদ সু-সুংহতকৰণৰ পৰিকল্পনা আৰু ব্যৱস্থাপনা উন্নীত কৰণৰ লগতে বানপানী আৰু গৰাখহনীয়াই অনা বিপদাশংকাৰ প্ৰতি সহনশীলতা গঢ়ি তোলাৰ বাবে প্ৰতিষ্ঠানিক ক্ষমতা সুদৃঢ় কৰাটো প্ৰকল্প উন্নয়নৰ লক্ষ্য(PDO)" হিচাপে লোৱা হৈছে ।

প্ৰকল্পৰ ৰূপায়ণৰ সময়ছোৱাত আলোচনা আৰু তথ্য প্ৰকাশৰ বাবে প্ৰযুক্তিগত আৰু সাংস্কৃতিকভাৱে সঠিক পথ হিচাবে "পৰিবেশিক সামজিক সুৰক্ষা বেষ্টনী ১০ (ESS 10)" অৰ্থাৎ "অংশীদাৰ নিয়োগ আৰু তথ্য প্ৰকাশ" ৰ নীতিৰ স'তে সামঞ্জস্য ৰাখি অংশীদাৰ নিয়োগ যোজনা(SEP) প্ৰস্তুত কৰা হৈছে। এই ভিত্তিৰেখাই অংশীদাৰ নিয়োগ যোজনা(SEP)ত প্ৰচলিত প্ৰাসংগিক ভাৰত চৰকাৰ তথা ইয়াৰ প্ৰতিষ্ঠানিক আইনগত আৰু নিয়ন্ত্ৰক ভিত্তিৰেখাৰ লগতে পৰিবেশিক সামজিক সুৰক্ষা বেষ্টনী ১০ (ESS 10)-ৰ চৰ্ত সমূহৰ প্ৰতি লক্ষ্য ৰাখিছে। অংশীদাৰ নিয়োগ যোজনা(SEP) এক গতিশীল নথি আৰু প্ৰকল্প ৰূপায়নৰ বিভিন্ন স্তৰত ইয়াক উন্নীত কৰা হ'ব। অংশীদাৰ নিয়োগ প্ৰক্ৰিয়াৰ উন্নীতকৰণ আৰু সুদৃঢ়কৰণ নিয়মীয়া ভিত্তিত কৰা হ'ব।

অংশীদাৰ নিয়োগ যোজনা(SEP)ত অংশীদাৰসকলৰ বাবে পৰিকল্পিত পৰামৰ্শ আৰু নিয়োগ প্ৰক্ৰিয়াৰ বিষয়ে বৰ্ণনা কৰা হৈছে। ইয়াত অংশীদাৰসকলক নিয়োগ কৰাৰ ক্ষেত্ৰত এক পদ্ধতিগত পন্থাৰ ভিত্তিৰেখা তৈয়াৰ কৰা হৈছে । ই অসমৰ নদী অৱবাহিকা সু-সংহতকৰণ ব্যৱস্থাপনা কাৰ্যক্ৰম[AIRBMP)ক সমগ্ৰ প্ৰকল্পটোৰ জৰিয়তে অংশীদাৰসকলৰ সৈতে এক গঠনমূলক সম্পৰ্ক গঢ়ি তোলা আৰু তাক বজাই ৰখাত সহায় কৰিব । অভিযোগ নিষ্পত্তিকৰণ প্ৰণালী[GRM)ৰ কথাও এই নথিত অন্তৰ্ভুক্ত কৰা হৈছে যাতে অংশীদাৰসকলে প্ৰকল্পটোৰ বিষয়ে চিন্তাধাৰাত অংশগ্ৰহণ কৰে। এই নথিয়ে অংশীদাৰসকলক যথা সময়ত প্ৰাসংগিক তথ্যসমূহ দিয়াত নিশ্চিত কৰিব যাতে তেওঁলোকে প্ৰকল্পৰ বিষয়ে এক শুদ্ধ প্ৰতিচ্ছবি পায় আৰু ইয়াৰ লক্ষ্য, সময়সীমা, অগ্ৰগতি, উপকাৰিতা আদিৰ বিষয়ে সঠিক ধাৰণা ল'ব পাৰে।অংশীদাৰসকলক নিয়োগ কৰা প্ৰণালীবদ্ধ পদ্ধতিৰ লক্ষ্য হৈছে যে প্ৰকল্পত ক্ষতিগ্ৰস্তলোক আৰু অন্যান্য অংশীদাৰসকলে সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াটো সহজ কৰি তুলিব পাৰে আৰু এক বুজাবুজিৰ পৰিৱেশ সৃষ্টি কৰি সময়মতে প্ৰকল্পত সক্ৰিয় সহযোগ আগবঢ়াব পাৰে। তদুপৰি এই নথিয়ে প্ৰকল্পৰ ক্ষতিগ্ৰস্ত লোক আৰু অন্যান্য অংশীদাৰসকলক

তেওঁলোকৰ চিন্তাধাৰা আৰু মতামতৰ দ্বাৰা প্ৰকল্পৰ সিদ্ধান্তত প্ৰভাৱ পেলাব পৰাকৈ পৰ্য্যাপ্ত সুবিধা দিয়ে।

অংশীদাৰ নিয়োগ যোজনা(SEP)ৰ প্ৰস্তুত কৰাৰ সময়ত পূৰ্বৰ এচিয়ান ডেভেলপমেন্ট বেংকে(ADB) বিত্তীয় সহায় আগবঢ়োৱা AIFRERMIP আৰু অসম ৰাজ্যিক দূৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকাৰী(ASDMA)য়ে ৰূপায়ণ কৰা প্ৰকল্পসমূহ বিবেচনা কৰা হৈছিল।

তাৰ পৰা শিকা মূল কথাখিনি এনে ধৰণৰ-

[১] প্ৰণালীবদ্ধ ৰাজহুৱা আলোচনা, কেন্দ্ৰীয় সামূহিক আলোচনা(FGD), আন্তঃপাৰস্পৰিক যোগাযোগ(IPC) আৰু অংশীদাৰসকলৰ সৈতে বৈঠক অনুষ্ঠিত কৰাটো তেওঁলোকৰ চিন্তা আৰু পৰামৰ্শসমূহ গুৰুত্ব সহকাৰে লোৱাৰ উপৰিও জিলা প্ৰশাসনৰ সমন্বয়ত অভিযোগসমূহ সৌহাদ্যপূৰ্ণ ভাবে নিষ্পত্তি কৰাত সহায় কৰাৰ বাবে অতি প্ৰয়োজনীয়।

[২] ৰাইজক অবিৰত ভাবে তথ্য যোগান ধৰিবলৈ তথ্য যোগোৱা ফলকসমূহৰ উপৰি অভিযোগ নিষ্পত্তিকৰণ প্ৰণালী(GRM) সম্পৰ্কে তথ্য শিক্ষা যোগাযোগৰ(IEC) সামগ্ৰী যেনে প্ৰচাৰ পত্ৰিকা বিতৰণ আদি অমূল্য।

[৩] পৰামৰ্শ সভাৰ সময়ত নিজকে সৱল বুলি অনুভৱ কৰিব পৰাকৈ দুৰ্বল সামাজিক গোট যেনে মহিলা মূৰব্বী থকা পৰিয়াল, অনুসূচিত জনজাতি আৰু অনুসূচিত জাতিৰ লোকক যথোচিত ভাৱে তথ্যসমূহ যোগান ধৰাটো প্ৰয়োজন।

[৪] তথ্যসমূহ যাতে ভুলকৈ সৰবৰাহ নহয় তাৰবাবে স্থানীয় চি.এছ.অ'.আৰু বে-চৰকাৰী সংস্থাসমূহক বিস্তৃত আৰু সঠিক তথ্যৰ যোগানেৰে সক্ৰিয়ভাবে জড়িত কৰি তোলা প্ৰয়োজন।

[৫] উচ্চ মানৰ আলোচনা প্ৰকৃত আৰু সঠিক অংশীদাৰ চিনাক্ত কৰা, বিপদাপন্ন এলেকা চিহ্নিত মানচিত্ৰত বিচাৰি নোপোৱা কিন্তু বানপানীৰ সম্ভাৱনা থকা গুৰুত্বপূৰ্ণ স্থান নিৰ্বাচন কৰা আৰু পৰিশেষত বানপানীৰ সময়ৰ নতুন শিৱিৰ স্থাপনৰ বাবে প্ৰকৃত স্থান বিচাৰি উলিওৱাৰ ক্ষেত্ৰত সহায়ক। বিভিন্ন অংশীদাৰসকলৰ সৈতে হোৱা আলোচনাৰ ভিত্তিত তেওঁলোকে দিয়া মতামত আৰু পৰামৰ্শৰ মতে এই বিষয়সমূহ যেনে- ৰন্ধন স্থান, মহিলাৰ বাবে পৃথক স্থান, স্তনপান কৰোৱা মাতৃসকলৰ বাবে পৃথক স্থান, মহিলাৰ বাবে পৃথক শৌচালয়, ছেনিটাৰী পেড ভেন্দিং আৰু নিষ্কাষণ মেচিন আদি অন্তৰ্ভুক্ত কৰি বান শিৱিৰৰ উন্নতৰ আৰ্হি তৈয়াৰ কৰাত কৰাত সহায়ক হয়।

অংশীদাৰ নিয়োগ যোজনা(SEP) পৰামৰ্শদাতা সংস্থা স্কৰপিয়ন, গুৱাহাটী আৰু CEMT ৰ সহযোগত ইং ২০২২ চনৰ জানুৱাৰী আৰু ফেব্ৰুৱাৰী মাহৰ ভিতৰত অংশীদাৰসকলৰ সৈতেও আলোচনা অনুষ্ঠিত হৈছিল । অংশীদাৰসকলৰ লগত স্থানীয় সম্প্ৰদায়ৰ প্ৰতিনিধি হিচাবে গাওঁ পঞ্চায়তৰ প্ৰতিনিধি, খণ্ড আৰু জিলা প্ৰশাসন, ক্ষতিগ্ৰস্ত লোক,সংশ্লিষ্ট বিভাগসমূহ আৰু অন্যান্য আগ্ৰহী নাগৰিকসকলক অন্তৰ্ভুক্ত কৰা হৈছে। এই আলোচনা সভাবোৰে মুখ্যতঃ অংশীদাৰ সকলক প্ৰকল্প সম্বন্ধে অৱগত কৰোৱাৰ লগতে মতামত গ্ৰহণ কৰা, পৰিৱেশিক আৰু সামাজিক বিপদাশংকা আৰু প্ৰভাৱ, সম্প্ৰদায়সমূহৰ ভূমিকা, অভিযোগ নিষ্পত্তি আদি বিষয়বোৰ আলোচনাৰ এক মঞ্চ হিচাপে ভূমিকা লয়। ৰাইজে যি কোনো তথ্যৰ বাবে ক্ষেত্ৰ বিষয়া বা ৱাটছ্ এপ গ্ৰুপ আদিৰ উপৰিও গাওঁবুঢ়া, আশা কৰ্মী আৰু গাওঁ পঞ্চায়ত আদিকো প্ৰথমে লগ ধৰিবলগীয়া ব্যক্তি হিচাপে প্ৰধান্য দিছিল।

অংশীদাৰ নিয়োগ যোজনা(SEP) ই প্ৰকল্পটোৰ সময়সীমাৰ ভিতৰত পৃথক পৃথক প্ৰকল্প সম্বন্ধীয় নথি-পত্ৰ প্ৰকাশৰ প্ৰক্ৰিয়া, ধৰণ আৰু প্ৰকাশৰ সময় আৰু মন্তব্য প্ৰকাশৰ আহিলা আদি আলোচনা কৰে। অংশীদাৰ নিয়োগ যোজনা(SEP) আৰু অন্যান্য তথ্য যেনে,- পৰিৱেশ আৰু সামাজিক প্ৰভাৱৰ মূল্যাংকন(ESIA), পৰিৱেশিক আৰু সামাজিক ব্যৱস্থাপনা যোজনা(ESMP), পুনঃসংস্থাপনৰ কাৰ্যপৰিকল্পনা(RAP) পুনঃসংস্থাপন নীতিৰ ভিত্তিৰেখা(RPF),খিলঞ্জীয়া মানুহৰ নীতি ভিত্তিৰেখা(IPPF),শ্ৰমিক ব্যৱস্থাপনা প্ৰণালী(LMP),লিংগভিত্তিক উৎপীড়ণ(GBV) প্ৰশমন যোজনাৰ সৈতে প্ৰকল্প সম্বন্ধীয় বিভিন্ন পৰিৱেশিক আৰু সামাজিক তথ্যৰ লগত সংগতি ৰাখি কাৰিকৰী আৰু অ-কাৰিকৰী তথ্যও ওপৰত উল্লেখিত স্থানীয় সংযোগকাৰীৰ বাহিৰেও গাওঁবুঢ়া আৰু গাওঁ পঞ্চায়তৰ জৰিয়তে প্ৰকাশ আৰু প্ৰচাৰ কৰা হ'ব। ইয়াৰ বাহিৰেও এই তথ্যসমূহ সময়ে সময়ে অসমৰ বানপানী আৰু নদী গৰাখহনীয়া ব্যৱস্থাপনা অভিকৰণ(FREMAA), অসম ৰাজ্যিক দূৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকাৰী(Assam State Disaster Management Authority) আৰু জলসম্পদ বিভাগ (Water Resource Department) ৰ ৱেব চাইটত উপলব্ধ হ'ব। ৱেব চাইটবোৰত অভিযোগ নিবাৰণ প্ৰক্ৰিয়াৰ উপৰিও যোগাযোগ কৰিবলগীয়া ব্যক্তিৰ নাম, পদৱী আৰু সংযোগ নম্বৰৰ সবিশেষ উপলব্ধ হ'ব। অসমৰ বানপানী আৰু নদী গৰাখহনীয়া ব্যৱস্থাপনা অভিকৰণ (FREMAA),অসম ৰাজ্যিক দূৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকাৰী(Assam State Disaster Management Authority) আৰু জলসম্পদ বিভাগে(Water Resource Department) ৱেব চাইটসমূহ নিয়মিত ভাবে সক্ৰিয় আৰু অতি সাম্প্ৰতিক তথ্যৰে সমৃদ্ধ কৰি ৰখাটো প্ৰয়োজন।

জলসম্পদ বিভাগ (Water Resource Department) আৰু অসম ৰাজ্যিক দূৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকাৰী(Assam State Disaster Management Authority)ৰ প্ৰকল্প ৰূপায়ণ গোট (PIU) ৰ সামাজিক উন্নয়ন আৰু যোগাযোগ বিশেষজ্ঞৰ সহযোগত প্ৰকল্প ব্যৱস্থাপনা গোট(PMU) ৰ সামাজিক উন্নয়ন আৰু যোগাযোগ বিশেষজ্ঞসকলে অংশীদাৰ নিয়োগ যোজনা (SEP) কাৰ্যকৰীকৰণ নিৰীক্ষণ কৰাৰ উপৰিও অংশীদাৰ নিয়োগ যোজনা(SEP)ত উল্লেখিত সময়সীমা আৰু ব্যৱস্থা অনুসৰি অংশীদাৰসকলৰ নিয়োগ বিষয়ক সকলো তথ্য মজুত আৰু সাময়িকভাবে উন্নীতকৰণ কৰি ৰখাৰ ওপৰত দৃষ্টি ৰাখিব । অংশীদাৰ নিয়োগ যোজনা(SEP) কাৰ্যকৰী কৰাৰ লগত সংগতি ৰাখি প্ৰকল্প ব্যৱস্থাপনা গোটে (PMU) প্ৰয়োজনীয় প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব । অংশীদাৰসকলৰ চলিত নিয়োগ প্ৰক্ৰিয়া সফলতাৰে আৰু সময় মতে ৰূপায়িত কৰাৰ বাবে নিৰীক্ষণ এক অপৰিহাৰ্য উপাদান। ই আলোচনা আৰু প্ৰকাশৰ প্ৰচেষ্টাবোৰ কাৰ্যকৰী কৰাটো নিশ্চিত কৰিব। প্ৰকল্প ৰূপায়ণ গোটে (PIU) তথ্য শিক্ষা যোগাযোগৰ(IEC)পৰামৰ্শদাতা সংস্থাসমূহৰ সহায়ত পৰামৰ্শৰ সময়ত বাৰ্তাসমূহ স্পষ্ট ভাবে প্ৰেৰণ কৰা আৰু ক্ষেত্ৰত নিয়োজিত দলসমূহৰ সৈতে ভুলভ্ৰান্তি নিবাৰণৰ সভাৰ আয়োজন কৰাটো নিশ্চিত কৰে আৰু ফলাফলৰ মূল্যাংকন কৰাৰ উপৰিও প্ৰয়োজন সাপেক্ষে প্ৰক্ৰিয়াটো সংশোধন কৰাৰ সুযোগ প্ৰদান কৰে ।

অংশীদাৰসকলৰ অভিযোগ আৰু অসন্তুষ্টিৰ প্ৰকৃত বা অনুমানিক প্ৰভাৱ আৰু সেইবোৰৰ সন্তোষজনক সমাধান বিচাৰি উলিয়াবলৈ এটা অভিযোগ নিষ্পত্তিকৰণ প্ৰণালী(GRM) স্থাপন কৰা হৈছে । প্ৰকল্পৰ ৰূপায়নৰ পৰা উৎপত্তি হোৱা অভিযোগসমূহ নিষ্পত্তি কৰিবৰ কাৰণে দুটা পৃথক নিৰাময় ব্যৱস্থাৰ প্ৰস্তাৱ কৰা হৈছে-

[১] উপাদান-২ - জলসম্পদ বিভাগ (Water Resources Department)ৰ ব্যৱস্থা লোৱা আৰু

[২] উপাদান-৩ - অসম ৰাজ্যিক দূৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকাৰী(Assam State Disaster Management Authority)ৰ ব্যৱস্থা লোৱা।

প্ৰকল্পটোৰ অধীনত আপীল কৰিব পৰা কৰ্তৃপক্ষ হিচাবে অসমৰ বানপানী আৰু নদী গৰাখহনীয়া ব্যৱস্থাপনা অভিকৰণ (FREMAA) ৰ প্ৰকল্প ব্যৱস্থাপনা গোটে (PMU) গঠন কৰি দিয়া GRM কমিটিখন থাকিব।

অসমৰ বানপানী আৰু নদী গৰাখহনীয়া ব্যৱস্থাপনা অভিকৰণ (FREMAA) আৰু জলসম্পদ বিভাগে (Water Resources Department) কমিটি কেইখনৰ জাননী দিয়া হৈছে। ইং ২০২২ ৰ ডিচেম্বৰৰ ভিতৰত অসম ৰাজ্যিক দূৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকাৰী(Assam State Disaster Management Authority) ৰ GRM কমিটি গঠন কৰিব । প্ৰকল্প ব্যৱস্থাপনা গোট (PMU) আৰু প্ৰকল্প ৰূপায়ণ গোটে (PIU) বতৰ্মান ব্যৱহাৰ কৰি থকা মঞ্চসমূহ বিশেষতঃ কেন্দ্ৰীয় জন অভিযোগ নিবাৰণ আৰু নিৰীক্ষণ প্ৰক্ৰিয়া ( CPGRAM)আৰু অসম ৰাজ্যিক দূৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকাৰী(Assam State Disaster Management Authority)ৰ অধীনৰ অন্যান্য মঞ্চসমূহ অসমৰ নদী অৱবাহিকা সু-সংহতকৰণ ব্যৱস্থাপনা কাৰ্যক্ৰম[AIRBMP]ৰ অভিযোগ নিষ্পত্তিকৰণ প্ৰণালী(GRM)ৰ লগত সংলগ্ন কৰা হ'ব আৰু মনোনীত কমিটিসমূহৰ জৰিয়তে ৰূপায়িত কৰা হ'ব। প্ৰকল্প সম্পৰ্কীয় সকলো অভিযোগ লিপিবদ্ধ আৰু পঞ্জীয়ন কৰা। কাৰ্যকৰী সংস্থাসমূহৰ লিংগ ভিত্তিক উৎপীড়ণ ( GBV)/ যৌন শোষণ আৰু নিযাৰ্তন (SEA) সম্বন্ধীয় অভিযোগ সমূহ তত্বাবধানৰ কাৰণে আন্তঃ কমিটি থাকিব ।

অংশীদাৰসকলৰ নিয়োগ আৰু অভিযোগসমূহৰ মাহেকীয়া সাৰাংশ আৰু আন্তঃ প্ৰতিবেদনৰ ব্যৱস্থা অংশীদাৰ নিয়োগ যোজনা(SEP)ত অন্তৰ্ভুক্ত কৰাৰ ব্যৱস্থা থাকিব, যিবোৰ অসমৰ বানপানী আৰু নদী গৰাখহনীয়া ব্যৱস্থাপনা অভিকৰণ (FREMAA)ত সংযোজিত হ'ব। অংশীদাৰ নিয়োগ যোজনা(SEP)ত উল্লেখ কৰা পৰ্যবেক্ষণ সূচকসমূহ অসমৰ বানপানী আৰু নদী গৰাখহনীয়া ব্যৱস্থাপনা অভিকৰণে নিয়মীয়াকৈ তদাৰক কৰিব। প্ৰকল্পটোৱে অভিযোগ নিষ্পত্তিকৰণ প্ৰণালী(GRM)আৰু অংশীদাৰ নিয়োগ যোজনা(SEP)ৰ বিষয়ে বাতৰি আৰু যোগাযোগৰ প্ৰচাৰ / সামগ্ৰী আদি ব্যৱহাৰ কৰিব।

অংশীদাৰ নিয়োগ যোজনা(SEP)ই আয়-ব্যয় কাৰ্যকৰী কৰিব পৰাকৈ ব্যৱস্থা গ্ৰহণ কৰিছে আৰু সংশ্লিষ্ট প্ৰকল্প ৰূপায়ণ গোট(PIU)আৰু প্ৰকল্প ব্যৱস্থাপনা গোটে (PMU) তাত অনুমোদন জনাইছে।অংশীদাৰ নিয়োগ যোজনা ( SEP) কাৰ্যকৰী কৰাৰ বাবে ৫৯,৫৫০,০০০ টকাৰ হিচাপ দাখিল কৰা হৈছে আৰু ইয়াৰে ১৯,৮৬০,০০০ টকা উপাদান-২ আৰু ৩৯,৬৯০,০০০ টকা উপাদান-৩ ৰ বাবে ধাৰ্য্য কৰা হৈছে ।